ধূ লি

ধূলি

(নোট)

শ্ৰীকমলেশ্বৰ চলিহা

"The field his study
Nature was his book
—Hazlitt

ভাদ, ১৮৩২ শঁক।

GOVERNMENT OF ASSAM
Call No..............
DISTRICT LIBRARY.

।৹

বানপাণী-সংস্করণ

নিজৰ প্ৰকাশৰ বাটত মানুহে দুখৰ ধূলি লাভ কৰে, তেওঁৰ প্ৰকাশৰ বাধা বিজুলীৰ বাঠিৰ খোঁচ, ধূলিৰ গাত মৰণ। কিন্তু মানুহৰ অন্তৰ মন্দিৰত যি মণি জ্বলে তাৰ পোহৰত তেওঁৰ এই দুখ গুচে।

অসম জননীৰ সাহিত্যৰ ভঁৰালত ধন সোণ হীৰা মুকুতাৰ অন্ত নাই, তাৰ এচুকে মোৰ এই ধূলিকো থলোঁ। পৃথিৱীত যি সকল আপোনাৰ প্ৰকাশৰ বাটত বিফল সেইসকলে ধূলিত মুকুতিৰ আশা দেখিলে কৃতাৰ্থ মানিম।

শ্ৰীকমলেশ্বৰ চলিহা

শুধ্ৰবণী

অনন্নপৰাণতাৰ বাবে ছপাৰ ভুলবো বা, পানী ব'লে যেনে :—

৫	পিঠিৰ	৮	শাৰীত	জাকক	নহৈ	জাকৰ	হব
৬	"	শেহৰ	"	কনেকৈ	"	কেনেকৈ	"
১১	"	১৪	"	আছেনে	"	আছানে	"
১২	"	২	"	ৰং শব্দটো নেথাকে।			
১৩	"	১১	"	নিকৰণ	নহৈ	নিকৰুণ	হব
২২	"	শেহৰ	"	আকোৰ পিচত **নপাতি** শব্দটো থাকিব			
৩০	"	২	"	মাটি	নহৈ	মাতি	হব
৩৫	"	৫	"	অনাদি	"	অনাদি	"
৩৬	"	৬	"	শৰীৰ	"	শৰীৰৰ	"
৩৭	"	৬	"	নচলা	"	নচালা	"
৩৭	"	২	"	নাচে	"	নাটৈ	"
৩৯	"	৫	"	লগ শব্দটোৰ পিচত এডাল (।) থাকিব			
৩৯	"	শেহৰ	"	নিভৰণী	নহৈ	নিৰ্ভয়িণী	হব
৪১	"	১৪	"	তাৰ	"	তাইৰ	"
৬৪	"	২	"	ৰাখিছে	"	ৰখিছে	"

'ভৰিৰ তলুৱাত ধূলি লাগিছিল
জোকাৰি পেলালা কিয় ?
তুমি পেলাই দিলা বুটলি ললোঁ। মই
আদৰত সি হ'ল থিয় ॥'

—বেজবৰুৱা ।

সুমেৰু, ধ্ৰুবা, শঙ্খ, সুৰভি
সমীৰ, শৰত, শেৱালি,
ধূলি, মণি
(এওঁবিলাক বিশ্ব-পঢ়াশলীয়া)
এজনী মালিনী, এটা গৰখীয়া
(মাক-পুতেক)

ধূলি

প্ৰথম দৰ্শন

সময় —দুপৰীয়া

ঠাই—গোপচাৰ

গাৰখীয়া

[একালৰ পৰা লবি আহি]

ফৰিং এজনী ধৰিব খুজিছিলোঁ, নোৱাৰিলোঁ। বিৰিণাপাত এটাৰে গোঁসানীৰ আগত বলি দিবলৈ নহয়। ঘৰত শালিকা চৰাই এজনী আছে, তাইক খুৱাবলৈহে। তাই পিঠাগুৰি নেখায়, বনৰীয়া চৰাই নহয়। ফৰিংহে খায়। নেখাবনো কেলেই, হাবিত মুকলিমূৰীয়া হৈ থাকোঁতে ফৰিং আৰু ধানত পৰা পোক বোৰেইহে সিহঁতৰ ভাত-মাছ।

[ধূলি সোমাই আহে]

ধূলি

কাৰ ভাত-মাছ গৰখীয়া কাই ?

গৰখীয়া

এ মোৰ শালিকাজনীৰ ।

ধূলি

তাই ভাত-মাছহে খায় ?

গৰখীয়া

ভাত-মাছ নহয়, ফৰিং ।

ধূলি

কিবা গীত গাবলৈ শিকাইছানে ? তুমি গীত সাজিব জানা নহয় ।

গৰখীয়া

গীত সাজিব নেজানো, পিছে মাছ ভাজিব জানো । সেইদেখি নাই শিকোৱা একো গীত-ৰাগ । ঘৰত যিহে একজনী আই আছে । নিতৌ গালি, নিতৌ গালি ।

সেই গালিবোৰকে শিকিছে চৰাই জনীয়ে।

ধূলি

পিছে ফৰিং পালা?

গৰখীয়া

নাই নেপালোঁ। চোৱাঁচোন আজিৰ ব'দটো ভাল। গৰুবোৰ কেনে ৰঙেৰে চৰিছে! আজি মোৰ উচ্ছন্ন যেন লাগিছে। ইমান দিন বৰষুণতে গল দেও। বান-পানীত হাল বাওঁতে, ৰোওঁতে দুখৰ কথা নকবা। সোহাল মোৰ হালোৱা গৰু দেখিছানে? সিহঁতেই মোৰ সৰ্ব্বস্ব। বৰষুণৰ কেইদিনতে বৰ খিনালে। এতিয়াও সিহঁতৰ তপিনা দুটা পূৰ হোৱা নাই। কুন্ধচ্ বৰষুণ, কুন্ধচ্ বান-পানী!

ধূলি

নকবা। সৌবোৰ ডাৱৰ কলৈ গৈছে? আকৌ কলহচেৰেক ঢালিব পাৰে।

গৰখীয়া

এতিয়া নিদিয়ে বৰষুণ। ডাৱৰে এতিয়া গুজৰি গুমৰিহে থাকিব আৰু গুজৰি-গুমৰি সৌ চিকুণ পৰ্ব্বত-টোৰ আঁৰলৈ যাবগৈ। তাত বৰষে যদি বৰষক, নৈত চল আছিলে তেও বৰশী বাব পাৰিম।

খুলি

পানীৰ ওপৰৰ দলনিত সৌ গৰু-পোৱালিটো কেনেকৈ শুই আছে চোৱাঁচোন। মৰম নেলাগেনে তোমাৰ?

গৰখীয়া

দেৰৈ, কি মৰম লাগিব? এইবাৰ বান পানীত পহু-পোৱালিবোৰ পানীত যেনেকৈহে কক্‌বকাই সাঁতুৰি ফুৰিছিল। মানুহে নাৱেৰে গৈ সিইঁতক তাতে মাচ কচাদি কাটিলে! [হাতৰ এচাৰি পেলাই] আইা আমি বাঘ-গৰুকে খেদোঁ।

ধূলি

ৰ'ৰা ৰাক । তুমি গৰু ৰখাইছা নহয়, সৌ ওপৰেদি উৰি যোৱা ভাটৌজাকক কোনে ৰখাইছে ? সৌজাক আমাৰ মূৰৰ ওপৰেদিয়েই কিৰিলিয়াই উৰি গল নহয় ।

গৰখীয়া

সৌটো ভাটৌ পিচ পৰিল চোৱাঁ । সৌ পানী-খিনিত তাৰ অকলশৰীয়া ছাঁ পৰিব চাবা । সি আৰু আগৰ জাকক লগ ধৰিব নোৱাৰেগৈ ! সি বাট হেৰু-ৱালে । অলপতে এচপৰা ক'লা ডাৱৰে তাক আগ-ভেটি ধৰিব আৰু তেতিয়া আৰু সি চিৰকাললৈ লগ হেৰুৱাব ।

ধূলি

দেহি !

গৰখীয়া

এইদৰেই কোনেও কাৰো লগ নেপায় । আমি

লগ পায় বুলি ভাবোঁ, মিছা। পিছে ভাটৌটোৱে বাট হেৰুৱালে বুলি সি সাহ আৰু উছাহ নেহেৰুৱায়। সি তাৰ সেউজীয়া পাখী দুখনকে লগৰীয়া কৰি ৰঙা ঠোঁতটোৰে একালে মুখ কৰি আকাশ ফালি উৰি যাবই। পিছে মনত তাৰ বেজাৰ থাকিব। ভাটৌ-ৱনীক হেৰুৱাই সি গোটেই পৃথিৱীকে এন্ধাৰ দেখি যাব।

ধূলি

বগলিবোৰ বাৰু জাকপাতি পৰে কেলেই? এবাৰ মাটিত পৰে, আকৌ জাকেই উৰি যায়। পানীকাউৰী টোহে তেনেই অকল। তাক লগ নেলাগে হ'বলা, কেনে আপচু ক'লা চৰাইটো হয়।

গৰখীয়া

আপচু সঁচা, কিন্তু চোৰাঁচোন তাৰ বুধিটো। কনেকৈ তাৰ তিতা পাখী দুখন ৰ'দত মেলি দি

শুকুৱাইছে। তেহে সি শুইনেদি উৰি যাবলৈ উজু পাব। বগলিবোৰে মাছৰ লোভত অ'ত পৰে ত'ত পৰে, সিহঁতৰ গাত তৎ নাই। মাছবোৰ দেহি! 'পানী শুকাই গলে, বগে ধৰি খালে, অলপে পানীৰ মাছ।' এইদৰে আয়ুসৰ পানী টুপি শুকাই গলে আমাকো কাল-বগে ধৰি খায়। ধূলি তুমি কেতিয়া উপজিলা আৰু কেনেকৈ জীয়াই আছা কোৱাঁচোন।

ধূলি

হিঃ হিঃ হিঃ! কেলেই তোমাক কোৱাচোন?

গৰখীয়া

এদিন মৰিব লাগিব নহয়।

ধূলি

মৰিব লাগে মৰিম। তাতনো কি কথা আছে।

গৰখীয়া

চোৱাঁচোন সোবোৰ কেচা-বোৱা, চিকুণ সেউজীয়া।

সৈয়া চোৰাঁচোন জুৰিখন বৈ গৈছে, শুনাচোন পানীৰ কল-কলনি। পাৰত সোদৰা খেৰণি, সেইবোৰ আমি মাঘ-মহীয়া ঘৰ চাবলৈ কাটি নিম। চোৰাঁ ধূলি চোৰাঁ ঐ বগা কহুঁৱা ফুল বোৰ। নৈৰ দুয়োটা দাঁতি চকুৰে মনালৈকে বগা, বগা, বগা। বেলিৰ পোহৰত ৰূপৰ চোৰাঁৰৰ দৰে জিলিকিছে। চালে চকুত চাত্ মাৰি ধৰে। আমি এই কহুঁৱা ফুলৰ দৰে দল বান্ধি থাকিম. এইদৰে বতাহত নাচিম, বেলিৰ পোহৰত জিলিকিম আৰু কেতিয়াও এৰাএৰি নহওঁ।

ধূলি

মই মৰি যাওঁ। তুমি ইমানবোৰ কথা ক'ত শিকিলা ?

গাৱঁৰ্থীয়া

ক'তো শিকা নাই মোৰ ধূলিটি। এই বিশ্ব পঢ়াশালিৰ মই ছাত্ৰ। ঈশ্বৰে মোক পঢ়াব। আকা

শত ছবি আঁকি, নাটিত ছবি আঁকি—তেওঁ মোক শিকাব। চৰাইৰ ডিঙিত তেওঁ সুৰ বান্ধি দিছে, গীত বান্ধি দিছে, মোক শুনাবলৈ। মোক শিকাবলৈ। নহয়নে বাৰু ধূলি পণ্ডিতনী?

ধূলি

আমি পণ্ডিতনী হবলৈ নেযাওঁ দেওঁহে। তোমাৰ সৌ ৰাঙলী গৰুজনী ৰোৱাত লাগিছেগৈ, নোৱাঁৰা খেদোৱাগৈ। সৌ দুজনী কাৰ বগী-ছাগলী জানো। ধাননিৰ মাজত লুকাই মহাসুখেৰে চৰিছে।

গৰখীয়া

খাওক ধান, চৰক সুখেৰে। পৃথিৱীত মোৰ গৰুৱে আনক ছলি নেখায়, ধানৰ পাত মোৰ ৰাঙলীয়ে খাইছে, তাই বুকুৰ তেজ মানুহক দিব। মানুহে সেই কথা নুবুজে, নুবুজে ঐ। মই এতিয়া তাইক খেদাই নানিলে তাইক পাউণ্ডত দিব, নহলে কাণ

এখন কাটি দিব, বা ঠেং এটা ঘৈয়াই দিব।

ধূলি

মোৰাঁ মোৰাঁ খেদোৱাগৈ। [এচাৰি বুটলি গৰখীয়া লৰি যায়] তোমাৰ হৈ ময়ে বাৰু এটা গীত গাওঁ। তুমি দূৰৈৰ পৰা শুনিবা। [গায়]

কই গলোঁ ভয়ে ভয়ে মোৰ কথাখিনি,
ভাবি চাবা সময়ত নেইাহি নিঘিণি।
ভাদৰ জুৰিটি ভৰা, পানীৰে ওপচে ধৰা,
কথা কোৱা পৰানীটি চিনি বা নিচিনি।
তথাপি নেথাকোঁ আৰু ইপাৰত বহি
ৰ'দ বায়ু বৰষুণ চিৰকাল সহি
আহিব সকলো প্ৰভু, নেথাকিম হলে কোনো
এন্ধাৰত পোহৰত আহিব ই তিনি ॥

হায়, এই পঢ়াশালিত কথা কোৱাৰ শিক্ষা কৰোঁ-তেই মানুহৰ জনমটো যায়! সি কাম কৰিব কেতিয়া ?

[শৰত সোমাই আহে]

শৰত

হেৰ, চোৰালীজনী ! তুমি আমাৰ লগত খেলিবা ?

ধূলি [লাজ ভাও ধৰি]

কিনো খেল ?

শৰত

কাইলৈ ৰাতিৰ ফৰিংফুটা জোনাকত আমি এটা উছৱ পাতিম। তুমি আহিবানে ?

ধূলি

মই খেলিব জানো জানিম, ৰাতি আহিব জানো পাৰিম। মোৰ কাপোৰ-কানি ফটা, ধূলিৰে পোত খোৱা।

শৰত

হেৰা সমীৰ! সমীৰ আছেনে ?

[ভিতৰৰ পৰা কি ?]

চোৰাঁচোন এইফালে ?

[সমীৰ সোমাই আহে]

এই দুখুনীক এটা পোছাক দিয়া। ৰঙা গোলাপ ফুলৰ ৰং পাহিৰ দৰে তোমাৰ সাঁচতীয়া সেই মেখেলা খন এইক দিয়া। শিৰীষ ফুল -অ' নহয় পদুম ফুলৰ পাতৰ দৰে ৰিহাখন গাত মেৰাই দিয়া। সোণ পকুৰাৰ ফোঁট এটাও দিবা।

সমীৰ

ভৰিত একা ? আলতা ?

শৰত

হয় হয় দিবা। কিন্তু কিহৰ দিবা জানানে ? তেজৰ। আপোন-মুক্তিৰ বাবে যুঁজ কৰি মৰোঁতা মানুহৰ তেজৰ।

সমীৰ

বাৰু! [ধূলিক ধৰি] তোমাৰ নাম কি ছোৱালী ?

ধূলি

মোৰ নাম ধূলি।

সমীৰ

তেনেহলে তোমাক উৰুৱাই লৈ যাওঁ ব'লা।

[সমীৰে ধূলিক ধৰি লৈ যায়]

শৰত

এয়ে প্ৰথম সমীৰ! খাননি এই ঢৌত কঁপিব। ফট্‌ফটীয়া পানীৰ ওপৰতো বৰ মৃদু এই কঁপনি। এই কঁপনি অকস্মাতে আঘাত হব। এই আঘাতে গোলাপক চুব, পদুমক চুব; চুব, চুবহে, পীড়া নিদিয়ে, দুখ নিদিয়ে। কিন্তু ভবিষ্যত বৰ নিকৰণ। জাৰ-কালিৰ ঠেৰেঙা হাত, নিমৰম পৰশৰ এই আঘাতেই আগ-জাননী।

[শৰত যায়, গৰখীয়া আহে]

গৰখীয়া

ধূলি তুমি আছা ? গৰুজনী পদুমনিত পৰিছিলগৈ দেও, সেইহে পলম হ'ল। তোমাৰ গীতটো শুনি ছিলোঁ মই। বৰ ধুনীয়া শুনিছিলোঁ। ধূলি ক'তা ? ধূলি নাই। ধূলি, ধূলি !

[ৰ লাগি ভাবে আৰু লাহে লাহে গ'হৰ শিঙৰ পেঁপা এটা কামলতি তলৰ পৰা উলিয়াই লয় আৰু বজাই গায়]

তেলত বন্দী হলে তেলিনী পৰুৱা
শালত বন্দী হলে হাতী,
মকৰা-জালতে কৃষ্ণাই বন্দী হলে
নুপুৰায় কালিন্দ্ৰী ৰাতি।
তেলত বন্দী হলে—
[মালিনী সোমাই আহে]

মালিনী

লাঠুৰা ! চ'তৰ বিহু পাইছ ? কপাহ আনিবলৈ গৈছিলিনে ?

গৰখীয়া

কেনেকৈ নাম আই ? গৰু ৰখোঁতেই শুং হেৰাইছে । ইজনী আগছোঁতে সিজনীয়ে বোৰা খায়গৈ । সিজনীক খেদাওঁতে ইজনীয়ে জেওৰা ভাঙেগৈ । বৰ দুখ আই !

মালিনী

সেইদেখি হবলা গীত জুৰিছ, বান্দৰ !

গৰখীয়া

গালি নেপাৰিবা আই । অলপ কুৰ্তি কৰিছোঁ । তোমাৰ কপাহ মই আনি দিম । যিমান সূতা কাটা কাটি থাকিবা, যিমান পঘা বাটা বাটি থাকিবা । দেৰৈ !

মালিনী

বাৰু বোপাই আনিবি। মই নাওঁ, কাইলৈ মলা দালচেৰেক সৰহকৈ লাগে। সেইদেখি এতিয়াই ফুল নিবিচাৰিলে নহয়।

[মালিনী যায়গৈ, গৰখীয়াই আকৌ পেঁপা উলিয়াই বজাই গায়]

তেলত বন্দী হলে তেলিনী পকুৱা

শালত -

যাঃ নেগাওঁ আজিলৈ। ধূলিও গুচি গলগৈ।

[যাব খুজি শেৱালিক দেখি থমক খাই ৰয়]

শেৱালি

কেনে দেখিছাহেঁ ককাইটি?

গৰখীয়া [বিচুত্তি খাই, আঁঠুলৈ]

বিতোপন, বিতোপন। তুমি গোঁসানী নেকি?

শেৱালি

নহয় মিতা তোমাৰ মই মিতিনী। কি গীত গাইছিলা আকৌ গোৱাচোন।

গৰখীয়া [উঠি]

কি গীত গাম কুৱঁৰী? সৌ ডোবাটোত ভেকুলীয়ে গীত গাইছে শুনিছানে? অলপ আঁতৰলৈ গলে সৌ বাঁহনি ডৰাত জিলীয়ে ঝমৰ্ ঝমৰ্ তাল বজোৱা শুনিবা। সন্ধিয়ালৈকে থাকিলে তাতে শুনিবা ৰাম-শিয়ালৰ হোৱা-হোৱা ৰাগ। সিহঁতৰ গীত, তাল আৰু ৰাগ মোতকৈ ভাল। সৌ বন-বাৰত জোকে নাচিছে দেখিছানে? সিহঁতৰ নাচোন ভাল। ওচৰ চাপি যোৱাঁচোন, সিহঁতে তোমাৰ ভৰিত চুমা খাবহি। তুমি বৰ বগা আইটী; কিন্তু তোমাৰ ভৰি দুটি কিয় ইমান ৰঙা?

শেৱালি

ভৰি দুটা মোৰ ঠাৰি। তাত তুমি জৰিৰে বান্ধি থলে জৰিদাল ৰঙা হব, কিন্তু তুমি আৰু মোক নোপোৱা।

গৰখীয়া

তোমাক মই নেবান্ধো। সৌ কহুঁৱানিত ওখ ভেটি এটা কৰি শুৱাই থম, থাকিবানে?

শেৱালি

তাত কাৰ পূজা কৰিবা? পূজাত লাগিবলৈ হলে মই বৰ ভাল পাওঁ। ফুৰ্ ফুৰ্ কৰে ধূপ-ধুনাৰ গোন্ধ তাৰ লগত তুলসীৰ গোন্ধ মিহলি। সেই গোন্ধ লৈ সমীৰ বয়, বওক, তেতিয়া তেওঁক মই ভয় নকৰোঁ। শঙ্খ বাজে, মোৰ কাণত তাল নেমাৰে, সুতহে লাগে, বৰ সুত লাগে, বুজিছানে?

গৰখীয়া

শঙ্খৰ সুৰ ভাল। কিন্তু মোৰ পেঁপাৰ সুৰ আৰু মিঠা নহয়নে ? সৌ ৰাঙলী গৰুজনীৰ গাখীৰ তোমাক পদুম-পাত এটাত খাবলৈ দিওঁগৈ বলা।

শেৱালি

ৰবাঁ। মই সৌ শিলচপৰাৰ ওপৰত বহোঁগৈ। মই তাৰ পৰা এটা গীত গাম তুমি শুনিবা। তোমাৰ পেঁপাটো মোক দিয়াচোন।

[গৰখীয়াই শেৱালিক পেঁপাটো দিয়ে]

কাইলৈ আমাৰ এটা ধেমালি আছে তাত তুমিও যোগ দিব লাগিব দেই।

গৰখীয়া

বা-বাৰু।

[পেঁপাটো লৈ শেৱালিয়ে দূৰলৈ গৈ বজাই গায়]

এইদৰে মোৰ যাওক দিন যাওক দিন যাওক দিন।

এইদৰে মোৰ থাওক চিন থাওক চিন থাওক চিন।

গৰু চৰায় ফুৰে সৌ তুপৰীয়াৰ গৰখীয়া।

ফুল-পাত ধূলি-বালি ওমলাৰ তাৰ লগৰীয়া।

এইদৰে তাৰ দিন যায় আঁকি-বাঁকি নাচি ফুৰি,

অনাহকত খেমালিতেই পুলিগছৰ কাটি গুৰি।

অনাহকত কটাওঁ দিন বনৰ ফুলৰ গাঁঠি মলা,

পিক্কিম তাক বান্ধে বুলি জীৱন-দিনৰ ভাটি বেলা।

মাজে মাজে গভীৰ সুৰত গহীন সুৰত বাজক বীণ,

সংসাৰৰ এই গাই-উৰুমিত চলক মোৰ চলক দিন।

[উঠি আহে]

শেৱালি

কেনে শুনিলাঁ, বলাঁ এতিয়া।

[ছুয়ো যায়গৈ]

দ্বিতীয় দৰ্শন

সময়--ৰাতিপুৱা

ঠাই—কাৰেং

সুমেৰু আৰু ধ্ৰুবা

ধ্ৰুবা

ককাইদেউ, তুমি কি কিতাপটো ভাল বুলিছিলা ?

সুমেৰু

বাখৰ। তুমি পঢ়িছা নহয়।

ধ্ৰুবা

নাই পঢ়া। কিন্তু কোৱা শুনিছো, সেইটো নিচেই সৰু কিতাপ আৰু তাত যিবোৰ কথা লেখা আছে সেইবোৰ সকলোৱে জানে। নতুন কথা শিকাবহে মোৰ হেঁপাহ।

সুমেৰু

তোমাক তেনেহলে বিজ্ঞান লাগে ?

প্ৰভা

নহয় বাৰু শিল্পকে লাগে। পিছে সেয়ে হব লাগে নজনা-কথা।

সুমেৰু

বুৰঞ্জী পঢ়া। নজনা-কথা জনোৱাৰ ভঁৰাল বুৰঞ্জীহে।

প্ৰভা

চুপতি এৰা ককাইদেউ! সঁচাকৈ কোৱাঁচোন কি কিতাপ পঢ়িলে মানুহৰ উন্নতি হয়।

সুমেৰু

উন্নতি! এই শব্দটোৱে মোক দেখোন গোল মাল লগাই দিয়ে! তোমাৰ মনে উন্নতি কাক বুলিছে মই কেনেকৈ কম? শাস্ত্ৰ পঢ়িলেও উন্নতি হয়, আকৌ দলিয়াই পেলালেও উন্নতি হয়।

ধ্ৰুবা

উন্নতি মানে মনৰ উন্নতি। অৰ্থাৎ কিতাপে মনত এনে এটা প্ৰফুল্লতা ওপজাব লাগে যাৰ গুণত কিতাপখন মানুহৰ বৰ আপোন লাগে।

সুমেৰু

একোকে নুবুজিলোঁ। তোমাৰ কথা বেবেৰিবাং। আনন্দ আৰু নিৰানন্দ এই দুটা কিতাপৰ দান নহয়, হলেও চিৰস্থায়ী নহয়। সেই দুটা বস্তু তোমাৰ নিজৰ মনৰ সৃষ্টি। ভাল-বেয়া দুটা দৈব লৈ সংসাৰত চলিবা, ভালৰ সময়ত সকলো ভাল আৰু বেয়াত বেয়া। মানুহ বহুত সময়ত নাস্তিক হৈ যায়, কিয় জানানে? ঈশ্বৰ নাই বুলি নহয়, ঈশ্বৰৰ প্ৰতি তেওঁৰ মনোভাৱ বেয়াহৈ যায় বুলিহে। আৰু চোৱাঁ, কিতাপে তোমাক কেনেকৈ প্ৰফুল্ল কৰিব। সঁচা, কিতাপে তোমাক ধৰ্ম্ম আৰু কৰ্ত্তব্যৰ

বিষয়ে কিছুমান কথা ক'ব। সেই কথাবোৰ যদি তুমি ভাল পোৱা সেইটো তোমাৰ গুণ, অৰ্থাৎ তুমি ভাল পোৱাৰ বাটত আছা। এটা কিতাপৰ কথা তুমি বেয়া বুলি ভাবিলা, কিন্তু তুমি সেইবোৰ বেয়া পোৱাৰ বাটত নাই সেইটো তোমাৰ দোষ। তেতিয়া তোমাক সেই কিতাপে নকৰিবৰ চকৰি কৰিব। প্ৰফুল্ল কি আৰু তুমি হ'বা, মন মৰা হবা, কিছুমান বিষয়ে তোমাক টানিব, কাল-ক্ৰমত তুমি সেইবোৰত লিপ্ত হবা। মই পৃথিৱীৰ খুব ডাঙৰ গ্ৰন্থকাৰবো এনেকুৱা দুষ্ট কিতাপৰ কথা ক'ব পাৰোঁ। নবেল্ প্ৰাইজ পোৱা লেখকে বেয়া কথা লেখিলে, সেইবোৰৰ জেউতি বাঢ়ে হয়, কিন্তু পৃথিৱীৰ আটাইতকৈ ডাঙৰ অমঙল তাত ঘটে। এনেকুৱা কিতাপে চকুৰ পচাৰতে তোমাৰ মন কাঢ়ি লৈ তোমাক অধিকাৰ কৰি তোমাক চিৰকালৰ

কাৰণে এটা বেয়া বাটৰ বাটকুৰা কৰি দিব। কিন্তু ইয়াৰ বাবে প্ৰধান দায়ী তোমাৰ নিজৰ বাট। ভাল কিতাপ বহুতে পঢ়া নাই কিন্তু জগতত তেওঁ-বিলাক সদাই ভাল বাটত। বেয়া কিতাপো বহুতে পঢ়িছে তেওঁবিলাকো সদাই বেয়া বাটৰ পৰা আঁতৰ। পিচে নিজৰ বাট বুজিব নোৱাৰিলে কিতাপ বাছি পঢ়িব লাগে। সজ বন্ধু যেনেকৈ দুৰ্লভ, সজ কিতাপো তেনেকৈ দুৰ্লভ। তুমি প্ৰথমতে এটা মানুহ দেখিলা, সেইটোকে সকলো উবুৰিয়াই নিদিবা, দিলে ভুল হ'ব। তুমি প্ৰথমে হাতত পোৱা কিতাপটোকো সাৰোগত কৰি নলবা, ললে ভুল হ'ব, কাৰণ পৃথিৱীৰ সকলোবোৰ কিতাপ বা সকলোবোৰ মানুহ ভাল হব নোৱাৰে। আচল কথা নিৰ্লিপ্ততা বা নিৰ্গুণ যি আটাইতকৈ ডাঙৰ বস্তু অথচ কোনটো কিতাপে এইটো শিকায়?

ধ্ৰুৱা

পিচে মোৰ প্ৰশ্নটোৰ যে উত্তৰ নেপালোঁ। ককাইদেউ! কিতাপ পঢ়িলে কি হয়?

সুমেৰু

একো নহয়। কিতাপ নপঢ়াকৈ থাকিব পাৰিলে ভাল। কিতাপে জ্ঞান নিদিয়ে, জ্ঞান লাভত সহায় কৰে। কিতাপে লক্ষ্য উলিয়াই নিদিয়ে, লক্ষ্য আঙুলিয়াই দিয়ে। কিতাপ নপঢ়িলেও যথাৰ্থ জ্ঞান আৰু এই লক্ষ্য লাভ হয়। বস্তুক নিজৰ জীৱনেৰে অনুভৱ নকৰিলে কিতাপৰ বিদ্যাই সহায় নকৰে।

[হাতত মলাৰ ডলাৰে মালিনী সোমাই আহে]

মালিনী

ধ্ৰুৱা আই, তোমাৰ ভেটি আনিছোঁ।

[ডলা মাটিত থয়]

সুমেৰু

বুঢ়ী-বাই, তুমি মলা গুঁঠিবলৈ কেনেকৈ শিকিলা ? কিতাপ পঢ়িনে ?

মালিনী

দেউতা ঈশ্বৰ, কিনো কয়। ক বুলিব নোৱাৰোঁ। ৰত্নাৱলী পঢ়িবলৈ দিছে। হাকিম হবলৈহে কিতাপ পঢ়িব লাগে, মলা গুঁঠিবলৈ নেলাগে।

সুমেৰু

আজি কালি মলা গুঁঠিবলৈকো লাগিব।

[সুমেৰু যায়]

মালিনী

আজিনো সৰহকৈ মলা কেলৈ আইদেউ ? এটাই কেউধাৰ গুটি মালি ফুলৰহে। পিচে এইধাৰ জাঁতিৰ মলা বৰ ধুনীয়া গোন্ধৰ। শোৱাপাটিত পেলাই থলে ৰাতি টোপনিয়েই নাহিব নহয়,। [মাটিত বহে]

ধ্ৰুৱা

আজি লক্ষ্মীপূজা বাই! আমাৰ ঘৰৰ বাৰত আঁৰি থোৱা গোসাঁই-গোসাঁনীৰ ছবিবোৰ দেখিছা নহয়। একোধাৰ ফুলৰ মলা দি সেইবোৰকে আজি সজাম। হোৱা এটকা ৰূপ। ৰবাঁ, জলপান এটা খাই যাবা।

[মণি সোমাই আহে]

মণি

বাইদেউ! শঙ্খ ককাইদেৱে কৈ পঠিয়াইছে যে তুমি আজি ভোজলৈ যাওঁতে বীণখন লৈ যাব লাগে। এইবোৰ আজি-ফুলা-ফুলৰ মলা নহয়নে?

মালিনী

হয় মোৰ আই!

[মালিনী যায়]

ধ্ৰুৱা

ভোজ ৰজাক কৰা যে নিমখ হে ভোজত লাগে, বীণ নেলাগে। নিমখ যদি তেওঁৰ আছে তেওঁ নিব। আৰু মোৰো বীণ নাই। 'দূৰ্-বীণ'হে আছে।

মণি

শঙ্খ ককাইদেৰে আকৌ তেওঁৰ শঙ্খটোহে চক্‌চকীয়াকৈ ঘঁহি লৈছে। আজিৰ পূৰ্ঠ জোনৰ পোহৰ তাত হেনো ভালকৈ জলমলাই পৰিব লাগিব।

ধ্ৰুৱা

ফুঃ! জোনৰ তাত হৰিষত বিষাদ। জোৱাৰৰ দিনাহে শঙ্খই তেওঁৰ পোহৰ চম্ভালিব লাগিব।

বাৰু কোৱাঁচোন উছৱৰ বাবে নৈৰ পাৰ কেনেকৈ সজাইছে?

মণি

নৈৰ পাৰ আপোনা আপুনি সাজ খাই আছে, কোনেও সজোৱা নাই। ভাদৰে ভৰা-নৈ খনে খলখলাই হাঁহি, নাচি, মাটি বৈ গৈছে। দুয়ো পাৰে বগলি পাখিযেন বগা কহুঁৱা ফুলৰ শাৰী। ঠিক জানিবা আৰ্চি এখনত তুমি ধল বগা ফুলৰ মলা এধাৰ সজাই থৈছা, এধাৰক দুধাৰ যেন দেখাকৈ। কিন্তু আৰ্চিৰ ছাঁ নেনাচে, পানীৰ ছাঁ নাচে, কঁপে আৰু তল-ওপৰ হয়। পাৰত চিকুণ সেউজীয়া দুবৰিবনৰ ওপৰত কিছুমান শিল। সেই-বোৰৰ ওপৰতে আমি বহিব পাৰিম। ওচৰতে এজোপা বৰ আহত গছ। গছৰ পাতেৰে এটা ওখ দ'ল সজোৱা হৈছে। তাত আমাৰ উছৱৰ নিচান উৰিব।

ধ্ৰুৱা

ভাল হৈছে। তোমাৰ গৌৰৱৰ নিচান উৰক।

মণি

বাইদেউ, তোমাক শঙ্খ ককাইদেৱে আখৰা কৰা গীত এটা শুনাওঁ। যন্ত্রটো ক'ত আছে?

[মণিয়ে যন্ত্রৰ ওচৰত বহি গায়]

সাগৰৰ ৰাখা মান।
গোৱাঁ গোৱা আজি গান॥
জলধিৰ সুৰ সুগভীৰ।
শ্রদ্ধা বক তাত ধৰণীৰ॥
বলুকা তীৰত বাৰে বাৰে।
সাগৰৰ ঢৌৱে যুঁজি হাৰে॥
শামুকৰ মুখে জিনিবক।
মুকুতাৰ সুৰ খুলি গক॥
মুকুতা তোমাৰ ৰাখা মান।
কম্বুৰে সতে ধৰা ধ্যান॥

বাইদেউ, সাগৰৰ শামুকবোৰ, হেনো জল

কুৰ্‌ৰীবোৰে মুঠি মুঠিকৈ সাজে, সেইদেখি শঙ্খত তেওঁবিলাকৰ আঙুলিৰ সাঁচ বৈ যায়, হাতৰ চেঁচা পৰশ লাগি থাকে। শঙ্খৰ পাকবোৰত যিমান কথা অষ্টাবক্ৰ ঋষিৰো কিজানি সিমান কথা নাই। যুজত শঙ্খ, পূজাত শঙ্খ, বিয়াত শঙ্খ, মৰিশালিতো কিজানি শঙ্খ লাগে।

ধ্ৰুৱা

গীতত সেই কথা নাই। তাত আছে সাগৰ আৰু পৃথিৱীৰ যুঁজ। দিনে-ৰাতিয়ে যুঁজ। তৰা-বোৰে এই যুঁজৰ ধ্বনি নিমাত হৈ শুনে, কথা নকয়। কিন্তু শঙ্খৰ গীততকৈ তৰাৰ গীত মোৰ ভাল লাগে। সিহঁতৰ অযুত-চকুৰ গীত। মালিনী বাই। [মালিনী সোমাই আহে] মনিৰ গীত শুনিছিলানে? তুমিও এটা গোৰা, তেহে তোমাক জলপানৰ মুহুৰ্দিকে দিম।

মালিনী

ওপৰে উৰিবৰ কোৰা মোৰ আইদেউ

ওপৰে উৰিবৰ কোৰা,

এনেকুৱা নিদাৰুণ কালত মোৰ সোনাই ঐ

কি গীত গাবলৈ কোৰাঁ।

সাত-শত্ৰুকৰ নহৱ নুপজিবৰ কাল হ'ল। কংসৰ ভয়ত বসুদেৱে নন্দৰ ঘৰত গোসাঁইক পলুৱাই থৈছেগৈ তাতো পুতনা ৰাক্ষসীয়ে পায়গৈ মোৰ আইদেউ।

মণি

ধ্ৰুবা বাইদেউ, তুমিয়েই এটা গোৰাঁচোন। বুঢ়াবায়ে আৰু মেয়ে শুনো।

ধ্ৰুবা

মই গীত গাব জনাহেঁতেন তৰাবোৰ নচুৱালোঁহেঁতেন। তোমাৰ যন্ত্ৰটো বাজে, মোৰ যন্ত্ৰ নেবাজে।

সি দেখে দূৰ আকাশ, অসীম আকাশ, এন্ধাৰ আকাশ, নিৰ্ব্বিকাৰ আকাশ। তৰাবোৰৰ ৰাজ্যত মোৰ মন্ত্ৰটোৱে নিজৰ ক্ষমতা বিস্তাৰ কৰি চলে। ছাতীপটীৰ পোহৰ, শনিৰ আঙঠি, বেলি আৰু মহা-বেলিৰ যুদ্ধ, ধূমকেতুৰ নেজ তাৰ উপভোগৰ বস্তু। নৈঋত কোণৰ নক্ষত্ৰবোৰ লৈ মোৰ এতিয়া লীলা-খেলা। সিহঁতৰ গতি, আকাৰ আৰু বৰণ মই গবেষণা কৰিছোঁ। এদাল মাথোন বীণাৰ তাৰে সকলোবোৰ জ্যোতিষ্ক বান্ধি থৈছে।

মণি

সেই তাঁৰ দালত তুমি আঙুলি বুলুৱাঁ?

প্ৰভা

নহয়, মই নুবুলাওঁ। গ্ৰহ উপগ্ৰহবোৰে নাৰ পৰাক্ৰম ঘোষণা কৰিছে তেৱেঁই বুলায়। মোৰ দূৰবিণে তেওঁকহে নেদেখে। দূৰবিণৰ সুৰে তেওঁক

মিনতি কৰি মাতি করুণ মীড় বজায়, কিন্তু তেওঁ নাহে, নুশুনে।

মণি

বাৰু, ৰবাঁ বাৰু মই তোমাৰ সুৰত ভাষা দি তেওঁক নচুৱাওঁ।

[মণিয়ে গায়]

অনাদি আকাশ, সুৰত নাচাহে
সপ্তৰ্ষি মণ্ডল, সুৰত নাচা
মোৰ বীণৰ সুৰত নাচা
মোৰ বাঁহীৰ মাতত নাচা
মোৰ জীৱনৰ লগত নাচা, মোৰ মৰণৰ লগত নাচা,
মোৰ অন্তৰৰ অন্তঃপুৰত সুৰে সুৰে ঘূৰি নাচা।
মোৰ অনুপম তুমি নাচা,
মোৰ নিৰুপম তুমি নাচা

সকলো সুৰৰ সুৰ-শিৰোমণি মোৰ সঙ্গীতত নাচাহে।
সকলো ৰসৰ ৰস-শিৰোমণি মোৰ ইঙ্গিতত নাচা।
পৰশৰ মণি হৰষৰ মণি মুকুটৰ মণি নাচাহে।

মোৰ আঙুলিৰ সতে নাচাহে
মোৰ ডিঙিৰ লগত নাচাহে
মোৰ শৰীৰ অনু পৰমানু
মোৰ আতমাৰ চঞ্চল-স্থানু

সকলো নিধিৰ বিধি তুমি আজি মোক বেৰি হেৰা নাচাহে
জীৱনৰ এই উছৱত মোৰ চিৰ-কুটুম তুমি নাচাহে।

[ফোঁপাই] বাইদেউ, তোমাৰ ভাগ্য যদি তুমি এইদৰে ব্ৰহ্মাণ্ড-পতিক তোমাৰ দূৰবিণৰ সুৰত নচুৱাব পাৰাঁ; লোকৰ লগ লৈ হলেও।

ধ্ৰুৱা

নোৱাৰো মণি। কিন্তু মোৰ ভাগ্য মই জয় কৰিম লোকৰ বল নিবিচাৰোঁ। সাধনাৰ দুৰ্গম

বাটত মই অকলশৰীয়া। লগ মোক নেলাগে। কিন্তু সৰ্ব্বভক্ষ বহ্নি তোমাৰ এই সুৰ। তুমিও নাচিলা। লোককো নচলা। ফোঁপাইছা? বিদ্যুাই আৰু নাচে।

শঙ্খ ককাইদেউক কবা আজি সুৰৰ যুঁজ হব। তুমুল। হৰা-জিকা হলে বন্দী হব লাগিব। সন্ধি নহয়। বীণ মই নিম, তেওঁ যেন তেওঁৰ সোণৰ এস্রাজখন নিবলৈ নেপাহৰে।

মালিনী [উঠি]

আইদেউ মই আহোঁ। বহোঁতে বহোঁতে ককাঁল ঠহ্ ঠহাই গল। উঃ পোন হবই নোৱাৰোঁ।

[মলাখিনি থৈ ডলাখন লৈ যায়গৈ]

মনি

বাইদেউ মালিনীয়ে মোলৈ কিয় এইদৰে চাই গল? এইদৰে মাকে জীয়েকক চায়। মোৰ

লগত মালিনীৰ কি সমন্ধ হব পাৰে। ইমান স্নিগ্ধতা কিয় ?

ধ্ৰুবা

সেইটো একো মায়া নহয়। গীতৰ মূৰ্চ্ছনা মাৰ নগলে সকলো মানুহৰ দৃষ্টি তেনেকুৱা দেখি। সেইটো আমাৰ অন্তৰৰ বীণাৰ তাঁৰৰ গুণ। এইডাল তাঁৰেৰেই গ্ৰহ-নক্ষত্ৰয়ো বন্ধা।

মণি

এজনী মানুহে যে এটা মানুহক বিয়া কৰায় এইটো বাৰু কিহৰ বান্ধোনত। তাঁৰৰ বান্ধোনৰ ওপৰঞ্চি ই লোৱৰ জিঞ্জিৰীৰ বান্ধোন নেকি ?

ধ্ৰুবা

সেইটো বান্ধোনৰ কথা মোৰ সুৰত নাই। তোমাৰ সুৰতো নেথাকিব পাৰে। কিন্তু যিবোৰে সুৰৰ কথা নেজানে সিহঁতৰ অকলশৰীয়া হিয়াই

তাত লগ পায়। লগত দুখো, সুখো। সুখ যেতিয়া বাহিৰত অন্তৰৰ আশ্বাস হেৰুৱাই এজনে এজনৰ আশ্ৰয় আৰু পৰশ পায়, দুখ যেতিয়া সেইবোৰৰ গৰাকীজন জুই, সাপ আৰু কাঁইটৰ দৰে হয়। তথাপিও লগ, মই অকলশৰীয়া কিন্তু মোৰ ৰথৰ যিটো বাট সেইটোৱেই মোৰ লগ। তুমিও অকলশৰীয়া তোমাৰ পোহৰেই তোমাৰ লগ। মোৰ ঘোঁৰাৰ লেকামত মই মুঠি মাৰি ধৰিছোঁ। মই অবাটে নেযাওঁ। লগ মোক নেলাগে। ওৰণিৰ আবৰণ মোৰ নাই। ধুমুহাৰ ডাৱৰে মোক নেঢাকিলে মোৰ মুকলি মুখ সকলোৱে দেখিব। সাগৰৰ চৰাইৰ পাখিত, প্ৰলম্বিত চুম্বকত মোৰ বাণী চৰাচৰ জগতে শুনিব।

মণি

তুমি নিৰ্ভয়ণী। সাগৰৰ তলি আৰু পৰ্ব্বতৰ

শুহাই মোক ভয় খুৱায়। ইয়াৰ পৰা যি বীৰে মোক উদ্ধাৰ ক'ৰি নিব তেওঁ মোক প্ৰেমৰ মালাৰ দৰে পায়।

ধ্ৰুৱা

ককাইদেউ আহিছে হব পায় মনে মনে থাকা মণি।

[সুমেৰু সোমাই আহে]

সুমেৰু

কোৱাঁচোন বাৰু এই দুখন ছবিৰ ভিতৰত কোন খন ভাল? এখন নায়েগেৰাৰ জল-প্ৰপাত, এখন মেৰু-জ্যোতি। দুয়োটা বিদেশী দৃশ্য। কোনটো ভাল?

মণি [জুমি চাই]

নায়েগেৰা ভাল।

সুমেৰু [ধ্ৰুবালৈ]

তোমাৰ মত ?

ধ্ৰুবা

মণিৰে মই একমত।

সুমেৰু

মণি তুমি জলপ্ৰপাত কিয় ভাল বুলিলা ?

মণি [হাঁহি]

মোৰ পিয়াহ লাগিছিল দেখি।

সুমেৰু [ধ্ৰুবালৈ]

তোমাৰোনে ?

[ধ্ৰুবা হাঁহি নিমাত]

ভাল বেয়া বিচাৰ কৰা এই কাৰণেই টান। জল-প্ৰপাতৰ লগত কি আদৰ্শৰ কথা আছে ? এখন মৃত নদী অবাটে গৈছে, বুকুত তাৰ দয়া মায়া নাই, সাগৰলৈ তাইৰ উন্মাদ ধাউতি নিৰ্ম্মল নে

পাঙ্খিল কোনে জানে ? বনৰীয়া হৰিণীৰ দৰে পৰ্বতত তাই বিচৰণ কৰিলে, ভৈয়ামলৈ নামিবলৈ তাইৰ কি আৰ্ত্তনাদ ! [ছবিলৈ চাই] ৰাক্ষসিনী ! মানুহৰ সংসাৰতো এনেকুৱা ৰাক্ষসিনী আছে। বাধা নেমানে, কোনো পৰ্বতৰ দৰে দুৰ্লঙ্ঘ্য নিয়ম নীতিকো নেমানে। এই জল প্ৰপাতৰ পানী কোনো জীৱই খাব নোৱাৰে। মণি তুমি কি পিয়াহ মাৰিবা ? জলচৰ কোনো প্ৰাণী তাত নিজীয়ে। কিন্তু চোৱা [ইখন ছবি দেখুৱাই] উত্তৰ-মেৰুৰ এই জগদ্বৰেণ্য শোভা। বিশ্ব বিধাতাৰ অপূৰ্ব্ব কৰুণাৰ সঙ্কেত এই ছবিত আছে। ছমাহ ৰাতি ছমাহ এন্ধাৰ—মানুহৰ মানত প্ৰলয়। সেই প্ৰলয়ৰ মাজত এই প্ৰলয়ৰ জ্যোতি বিধতাৰ দান। সুন্দৰ, মনোৰম, মহান। মানুহ মৰিগলে চিৰন্তন এন্ধাৰে তাক ঢাকি পেলালে এই পৰম-জ্যোতিয়েই যুগে

যুগে যুগে তাক পোহৰ দিব। এই ছবি দুখন কোনে আঁকিছিল জানানে? সুৰভিয়ে। আজিৰ সভাত সুৰভিয়ে এই ছবি দুখনৰ বিষয়ে কথা কব।

[সুমেৰু বায়]

ধ্ৰুবা

ককাইদেউৰ সুৰভিলৈ বৰ মৰম দেখিছোঁ। কিন্তু কি হব তেৰেঁ। যে বিয়া নিবাৰিণী সভাৰ সভ্য। হি হি-হি!

মণি

হি-হি-হি!

ধ্ৰুবা

পিচে ছবি অকল সুৰভিয়ে আঁকেনে? শেৱালিৰ ৰাঙ্গনী ৰ'দৰ ছবিখন বৰ ধুনীয়া। দিনৰ শেহৰ ৰঙা পোহৰ তাত বৰ করুণ, বৰ মৰ্ম্মস্পৰ্শী। কিন্তু ককাইদেউৰ কথাত এটা বৰ আকর্ষণ আছে।

তেওঁৰ কথাবোৰে আমাৰ মনবোৰ অকাৰণতে খন্তেকলৈ টানি নিয়ে। আহাঁ মণি তোমাক মোৰ ছবিৰ এলবামটো দেখুৱাওঁগৈ। তাত অনন্তকোটি ব্ৰহ্মাণ্ডৰ ছবি আছে, কেৱল ব্ৰহ্মাণ্ড-পতিৰ নাই।

[দুয়ো যায়]

জিৰণিৰ আঁৰকাপোৰ পৰে।

তৃতীয় দৰ্শন

সময়—আবেলি

ঠাই—কহুঁৱাদি

[সুৰভিয়ে গায়]

ৰইয়া চঞ্চল বালি।
ধন জন পুত্ৰ ভাৰ্য্যা বিষয় জঞ্জালি॥
এই মুখে নুবুলিলে ৰাম কৃষ্ণ বাণী।
নাকে কাণে শলা মাৰে জিভা কাঢ়ে টানি॥

তলে গৈলে নৌকাখনি নিবিন্ধিলে ঘুণে

ঐ নিবিন্ধেলে ঘুণে............

[গৰখীয়া সোমাই আহে]

গৰখীয়া

তুমি কোন ভনীটি? অকলৈ কি গাইছা?

সুৰভি

তুমি মোক পাহৰিলানে বান্ধ? সেইদিনাৰ উছৱত তুমিও আছিলা নহয়। সনীৰে যে ধূলিক সজাই পৰাই লৈ আহিছিল, তুমি যে ৰ লাগি চাই আছিলা। ধূলিক দেখি শেবালি যে মুচকঁচ যোৱাদি গল, ধূলিয়ে সাৱটি ধৰিলত হে যে ৰ'ল। মনত পৰিছেনে ভেবাৰাম কাই? নেমাতা কিয়?

গৰখীয়া

ওঁ পৰিছে।

সুৰভি

আমি যেতিয়া দ'ল এটা কৰি ধূলিক ওপৰত তুলি নাম গাইছিলোঁ তেতিয়া শেহ পূৰ্ণিমা। জোনটো তেতিয়া হলি পৰিছিল তাৰু তেওঁৰ পোহৰ বোৰ এজোপা বৰ-আঁহত গছৰ পাতৰ মাজেদি সৰকি আহিছিল নহয়নে ?

গাৰখীয়া

হয়।

সুৰভি

এপাট চোকা যাঠি হাতত লৈ বিজুলীয়ে উত্তৰ ফালৰ ডাৱৰ এচটাত উঠি আহিছিল। তাই যেতিয়া আমাৰ মূৰৰ ওপৰ পালেহি ঘনে ঘনে যাঠি মাৰিববলৈ ধৰিলে। জোনটো ডাৱৰে ঢাকি পেলালে আৰু যাঠিৰ চমকনিৰ বাহিৰে সকলো এন্ধাৰ হল। শৰতে খণ্ডত সমীৰক ডাৱৰবোৰ

উৰাই দিবলৈ চেষ্টা কৰিছিল হয়, কিন্তু সমীৰৰ আক্ৰমণত আহঁত গছৰ ডাল এটা ভগাৰ বাহিৰে একো লাভ নহল। শৰতে যুদ্ধ কৰে মাটিৰ পৰা, বিজুলীয়ে কৰে আকাশৰ পৰা, কেনেকৈ পাৰে? কণিকা তাইৰ সেনাপতি হৈ আছিছিল, শৰতৰ সেনাপতি সমীৰ। সমীৰৰ প্ৰতাপত কণিকা ক্ষীণ হৈ হালি পৰিছিল আৰু বিজুলীয়ে বৰ বিক্ৰমেৰে যাঠি মাৰিছিল। তাইৰ বাহন ডাৱৰে খঙত সিংহই গোজৰাদি গুজৰি আছিল। শেহত বিজুলীৰেই জয় হল।

গৰখীয়া

মই সকলো দেখিছিলোঁ নহয়। কণিকাই পানীৰ অস্ত্ৰ বৰষি ঠাই একাঠুৰা কৰিছিল। ধূলিক মই কণিকাৰ পৰা সকুৰাবলৈ আহঁতজোপাৰ তলত থলোঁগৈ। তেতিয়া কণিকাই বেগেৰে শিলৰ অস্ত্ৰ

বৰষিবলৈ ধৰিলে। আমি লৰি দ'লৰ ভিতৰ সোমালোঁগৈ। এনেতে তুৰ্কপাল সেই আহত জোপালৈ বিজুলীয়ে যাঠি মাৰি পঠিয়ালে। মোৰ ধূলিৰ তেতিয়াই ধাতু গল। তাইৰ মুখখন কেতে ৰাজ বটা যেন হল আৰু আমি গাটো চুই দিলত তাই ধাঁচ্‌কৰে বাগ'ৰি মাটিত পৰিল।

সুৰভি

উঃ তেতিয়াহে বিজুলীয়ে যাঁঠি পাট কোচাই ললে আৰু লাহে লাহে পূবলৈ গলগৈ। তেতিয়া জোনটো আকৌ ওলাল। তেওঁৰ পোহৰবোৰে তিৰবিৰ কৰিবলৈ ধৰিলে আৰু আহত জোপাত এটা ফেঁচাই কুৰুলিয়ালে। কালি ৰাতিৰ যুঁজত এই কহুঁৱাঁনি ডবাৰ চিনকে নাইকিয়া হৈছিল। আজিহে সিহঁতে শান্তিৰে বগা পতাকা উৰাব পাৰিছে। পিছে তুমি ধূলিক ক'ত পুতিলা ?

গৰখীয়া

এই কণ্ঠঁৱানিতে পুতিলোঁ। এইখিনিতে, এই তুমি বহি থকা ঠাইতে। মযো বহোঁ চাওঁ।

[গৰখীয়াই ঠিক সোঁমাজতে লেপেতা কাঢ়ি বহে]

এয়া নহয় মাটি কেঁচা হৈ আছে। এয়া শিয়ালৰ হাতোৰাৰ চিন।

সুৰভি

ধূলি ঐ কোন দেশলৈ গলিগৈ তই!

[অলপ পৰ দুয়ো নিমাত]

গৰখীয়া কাই, তোমাৰ হাতত সেইটো কি?

গৰখীয়া

পেঁপাটোহে।

সুৰভি

বজোৱাচোন!

গৰখীয়া

[পৈপাটো লাহে লাহে মুখত লয় আৰু বজাই গায়]

তেলত বন্দী হলে তেলিনী পকৰা
শালত বন্দী হলে হাতী,
কহুঁৱাৰ বনতে ধৃলি বন্দী হলে
নুপুৰায় তুখৰে ৰাতি ।
মনতে সাজিলো মনৰে ঘোঁৰাটি
মনতে সাজিলোঁ ম'হ
বন্দী হৈ নগ'লে ধৃলি হৈ উৰিলে
ধৃলিতে গলেগৈ জহ ।
নাহৰৰ গুটিৰে চাকি নলগাবা,
নুমাব নুপুৰায় ৰাতি,
আতমাৰ শলিতাত যি গছি জ্বলিব
নুনুমায় সি গছি বাঁতি ।

[গৰখীয়াৰ গীত অন্ত হয়, শৰত আৰু সখীৰ সোমাই আহে]

সমীৰ

এয়ে ধূলিৰ সমাধি। ধূলি ইয়াতে ধূলি হব। তুমি তাইক যিবোৰ পোচাক পিন্ধাবলৈ কৈছিলা সকলো পিন্ধালোঁ। কিন্তু ভৰিত পিন্ধাবলৈ তেজৰ আলতা নেপালোঁ। কিন্তু ভৰিত পিন্ধাবলৈ তেজৰ আলতা নেপালোঁ। সেই বস্তুটো বৰ আপূৰুগীয়া। সংসাৰত মৰামৰি কটাকটিৰ অন্ত নাই। তেনে তেজৰ নৈ বৈ গৈছে কিন্তু সেইবোৰ তেজ নৰকৰ তেজ, অস্পৃশ্য, অপবিত্র আৰু মানুহৰ কলঙ্ক। ধূলিত, এই জগতৰ শেষ-বস্তু ধূলিত তাৰ ঠাই নাই। ৰজাৰ সাম্রাজ্য, ধাৰ্ম্মিকৰ ধৰ্ম্মদণ্ড, বীৰৰ কীৰ্ত্তি, শিল্পীৰ কাৰেং এই ধূলিতে মিলিছে। তাত ধূলিৰ গৌৰৱ নাই। এই ধূলিক লাগে মুকুতিৰ বাবে মৰণ লভা যুঁজাৰুৰ তেজ। আপোনাক প্রকাশ কৰাৰ আনন্দত যি মুকুতি সেই মুকুতি—

বাটকুৱাৰ তেজ-অনুলিপ্ত ধূলি জগতৰ জয়স্তম্ভ। প্ৰকাশৰ বিফলতাত বাটকুৱাই এন্ধাৰ দেখে, কিন্তু এই তেজ তাৰ জ্যোতি।

শৰত

তেনেহলে, তেনে তেজ নেপালা? ধূলিক এই তেজ দিয়া তেনে নঘটিল। গৰখীয়া ভাই, তুমি মৰিব খোজানে? তোমাৰ তেজ মোক লাগে এই সমাধিত সিঁচি দিবলৈ।

গৰখীয়া

খোজোঁ। মই মৰিলে কান্দোতা নাই।

[মালিনী আহে]

মালিনী

মই আছোঁ বোপাই, মই আছোঁ। তই মৰিলে মই কান্দি কান্দি মৰিম!

[সুমেৰু আৰু শংখ সোমাই আহে]

সুমেৰু

কিয় বাই কিয় কান্দিবা, কোন মৰিলে কান্দিবা ?

গৰখীয়া

মই মৰিলে ।

সুমেৰু

তুমি মৰিলে মাৰাই কান্দিব, আনে নেকান্দে । যাৰ মাক নাই তাক এইদৰে মানুহে মাটিত দলিয়াই দি পাহৰি পেলাব আৰু কোনেও নেকান্দে । মানুহৰ এয়েনে শেষ ভাই ?

গৰখীয়া

হয় এয়ে শেহ । সেই কাৰণেইহে কিজানি ইমান সুখ ।

সুমেৰু

পুতৌ ! এই জীৱন, এই দিন-ৰাতি, এই প্ৰকৃতি, এই আকাশ-তৰা এৰি যাব খুজিছা ভাই ? একেবাৰে ?

ভাই, এই জীৱনযে বৰ সোৱাদ। জাৰকালিৰ জুহাল, জহকালিৰ শোৱাপাটি, কুটুমৰ চেনেহ, ভাই ঐ, কোন মৰিব খুজিব?

শৰত

মৰক, ক্ষতি নাই, ই পদক্ষেপ মাথোন। মহাবিশ্বই জনম-মৰণৰ দুই খোজ চলাই গৈছে। আমাৰ সময় হ'ল সমীৰ! তোমাৰ আন্দোলন আৰম্ভ কৰাঁ। সোৱা শেৱালি আহিছে। তাইৰ অৱস্থা শেষ কৰি দিয়া যেন তাইৰ আৰু পৃথিৱীত চৰ্ব আঁকা শেষ হৈ যায়।

সমীৰ

লাহে লাহে হক শৰত। গৰখীয়া ভাই তুমি আসন কৰি বহাঁ। বিশ্বৰ বেদনা তুমি অনুভৱ কৰিবা এই ধূলিক ভাবি। মুকুতিৰ লগত ধূলিৰ সম্বন্ধ, ধূলিৰ লগত মুকুতিৰ সম্বন্ধ তুমি বুজিব

পাৰিবা। নীল আকাশ মুকুতিৰ স্বৰূপ, ধূলি বেদনাৰ স্বৰূপ। এটাক ধৰোঁতে, এটাক এৰোঁতে 'ব সংঘাত, তাত তোমাৰ বুকু তেজেৰে ৰাঙলী হ'ব। এই তেজেৰে ধূলিক ধুই দিবা। বেদনাৰ ধূলিত আনন্দৰ তেজ মিহলাবা। ইয়াৰ আৰু ওৰ নাই। অপৰিপূৰ্ণ জীৱনে মুকুতিৰ মন্দিৰ নেদেখে, দুৱাৰ দেখিব, তাৰ কপাট মেল নেখায়, কিন্তু ধূলিত জীৱনৰ দুখ পূৰ্ণ হৈ দেখা দিব, তেতিয়া ধূলিৰ সমাধিত তেজৰ অৰ্ঘ্য দিবা।

[ধ্ৰুবা আৰু শেৱালি সোমাই আহে]

শেৱালি

আজি আমাৰ কহুঁৱা উৎসৱ নেকি? কিন্তু কহুঁৱা ফুলবোৰ দেখোন জয় পৰি আছে। দেৰৈ কালিৰ যুঁজতে ইহঁতৰ এনে দুৰ্দ্দশা!

প্ৰভৱা

কালিৰ দৰে মোৰ ফুলৰ মালাৰ অপমান আৰু কোনোকালে হোৱা নাই। মোৰ ফুলৰ মালা-বোৰতো চাৰ্কাচৰ ৰিং নহয় যে তোমালোকে হাতত লৈ ঘুৰাবা আৰু অৱলীলাক্ৰমেৰে তাৰ পৰমায়ু শেষ কৰি দিবা।

শৰত

পৰমায়ু শেষৰ সময় যদি আহে? তোমাৰ ফুলবোৰ মৰা-দিনৰ হে। সেইবোৰ যে আজি বাহি হৈ গল। আজিৰ দিনটোও জানিবা তোমাৰ এপাহ শেষ-ফুল।

প্ৰভৱা

কিয়, তোমাৰ যাবৰ ক্ষণ হলনে কি? বালি-মাহী চৰাই গল নেকি? বগৰি ফুলবোৰে আলিত বাগৰি বোকা-বালিত লেটি লৈছে! শেৱালি!

শেৱালি! অ' আই, শেৱালি দেখোন হলি পৰিছে! সেইদিনা ধূলিয়ে ধৰি ৰাখিছিল। আজিতো গই ধৰি ৰাখিব নোৱাৰোঁ। শেৱালি তোমাৰ ৰান্ধনী-ব'দৰ ছবি খন এই সময়ৰ সৈতে ঠিক মিলিল!

শৰত

সমীৰ! সমীৰ!

[সমীৰে শেৱালিক চোৱে আৰু ধূলিৰ মৰিশালিত শেৱালি বাগৰি পৰি যায়]

আকাশৰ বগামেঘ বগা-শগুণৰ দৰে পাখিমেলি স্তম্ভিত হৈ আছে। বিজুলীৰ চিক্‌মিকণী আৰু নাই। এইবাৰ আহাঁ সমীৰ পদুম-বনলৈ। তৰোৱাল খুলি লোৱা। এপাহ পদুমৰো চিন নথবা। পদুমৰ কলিটিকো আঘাত কৰিবা। ইয়াতকৈও নিষ্ঠুৰতম কাম পৃথিৱীত ঘটিছে। তাৰ পিচত দুয়ো আহি এই কহুঁৱা-বনৰ ওপৰেদি ৰথ চলাই গুচি

যায়। এই বিজ্ঞাপন খুপখাই থকা কর্তৃ ফুলবোৰ একেবাৰে ছিন্নভিন্ন আৰু নিৰ্ম্মূল কৰি দি। মানুহবোৰ সুখৰ হাট এনেকুৱাকৈয়ে এদিন ভাঙি যায়।

আহাঁ সমীৰ। [শৰত আৰু সনাৰ যায়।

সুমেৰু

যোৱাইক, এই লীলা চিৰকাল চলিব, কিন্তু ধূলি নিৰ্জীয়ে।

শঙ্খ

ধ্ৰুবা, তোমাৰ উদয়াচলকৈ মোকো মাতিবানে? বৰ শুভ্ৰতা তাত। বগা-ভালুকৰ বৰণ মোৰ গাত আছে। হিমৰ দৰে মই চেঁচা। সেইদেখি মিলিম বুলি ভাবোঁ। মোকো লোৱাঁ। ময়ো তোমাৰ সতে যাওঁ।

ধ্ৰুবা

কিনো কোৱা? ককাইদেউহে উদয়াচলৰ গৰাকী।

সুমেৰু

নয়ো নহওঁ। উমাৰছে সোণোৱালী ধ্বজা তাত উৰিছে। বলা শঙ্কা, আমি এই খাননি ডৰা কঁপাই দি হিমালয়ৰ শৃঙ্গ আৰু মানস সৰোবৰ পাৰ হৈ খুব উত্তৰলৈ গুচি যাওঁগৈ। [মণি লৰি আহে]

মণি

ককাইদেউ নয়ো যাওঁ, নয়ো যাওঁ !

সুমেৰু

ৰবাঁ তুমি নেযাবা। ধূলিৰ দৰে তুমিও পৃথিৱীৰ ধন। চোৱাঁ মালিনী বাই! লাখুটিৰ পৰা নৰ ডাঙা। নেকান্দিবা। দুখ-সুখ সকলোৰে। তোমাৰ পুতেৰাৰ তেজ জগতৰ প্ৰয়োজন। ধূলি জগতৰ বেদনা। এই ধূলিৰ তপস্যাৰ শান্তিত তেওঁ কাল কটাব। চিৰন্তন মানুহৰ এয়ে চিৰন্তন তপস্যা। পুতেৰাৰ বদলি এই মণিক' তোমাক দিলোঁ।

সাতোটা কুবেৰৰ সম্পত্তি এই মণি। সদাই বুকুত বান্ধি ৰাখিবা। যোৱাঁ বাছা মণি, যোৱাঁ, বুঢ়াৰ লগত যোৱাঁ। বুঢ়াৰ পঁজা পোহৰাবা, কপাহ কাটোতে বুঢ়ীৰ অন্তৰত তুমি জ্বলিবা, মালা গাঁথোঁতে মনত, শোকত সান্ত্বনা আৰু ভোকত তুমি অন্নপূৰ্ণা হবা। আহাঁ শঙ্খ যাওঁ, ধ্রুবা যাবা।

শঙ্খ

আই মণি, মেলানি। মোৰ শঙ্খৰ ধ্বনি জগতত ৰ'ল। ভয়ে বজাবি। [সুমেৰু আৰু শঙ্খ যায়]

সুৰভি

শেৱালিৰো হৃৎস্পন্দন বন্ধ হল, ধ্রুবা মই কি কৰোঁ ?

ধ্রুবা

তুমি গুচি আহাঁ। তোমাৰ আকাশৰ আৰু মাটিৰ ছবি দুখন কি হল ? বাৰু নেলাগে, মোৰ

ৰথত উঠাই। তোমাক অমৰাত থৈ যাম। মৰ্ত্তৰ

তুমি নোহোৱাঁ। [হাতযোৰ কৈ] আহোঁ

দেই মণি, আহোঁ মালিনী!

[ধ্রুবা আৰু সুৰভি যায়, মণিয়ে মাটিত বহে আৰু মূৰে কপালে হাত দি গায়]

সপোন-সুৰভি মই সঁচা বুলিলোঁ।
মায়া-ফুল বুটলি মালা গুথিলোঁ॥
আকাশত খুন্দিয়ায় জোনাকৰ ঢৌৰে।
বাটেদি গুঞ্জৰি যায় জিৰণীয়া মৌৰে॥
পদুমৰ পাতটিত মণি মই দেখিলোঁ।
দূৰণিত জুলা-জুই ৰাতি মই খেদিলোঁ॥
আকাশত বতাহত সলিলত সপোনত।
সকলোটি মিলি যায় দুচকুৰ পচাৰত॥

মালিনী

[আঁঠুকাঢ়ি মণিক গবা মাৰি ধৰি]

আহাঁ আই মোৰ বুকুৰ ধন! এদিন আমি সকলো ধূলি হ'ম।

মণি

[ঠিয় হৈ]

গৰখীয়া আৰু মালিনী তোমালোক বিশ্বৰ। সেইদেখি বিশ্বেশ্বৰে মোক তোমালোকক দিলে। নিষ্কাম আনন্দত মানুহে যি খেমালি কৰে তাত মোৰ যোগ আছে। আজি ধূলিৰ মৰিশালিত তোমালোকে মোক লাভ কৰিলা। এই ত্যাগ আৰু তপস্যাৰ তুলনা নাই। বতাহ, বিজুলী আৰু দেৱতাতকৈ মানুহ শ্ৰেষ্ঠ। মানুহ অমৰ নহয় সঁচা কিন্তু মানুহে মহাকালক জয় কৰে। এই কথাকে ঘোষণা কৰি গল আজি ঋতু, নক্ষত্ৰ, সাগৰৰ ধ্বনি আৰু পৃথিৱীৰ মগজুৱে। চকুমেলা গৰখীয়া, এন্ধাৰৰ মিছা সপোন পোহৰত তোমাৰ আজি সঁচা হল।

গৰখীয়া

[উঠি]

মোৰ সকলো অন্তৰ ভৰি উঠিছে। জীৱনত মই বিহত অসফল সপোনৰ মাজত তোক লাভ কৰিলোঁ। বলা মণি, মোৰ অকলশৰীয়া এই বুক তোমাৰ নিকেতন হওক। ধূলি মোৰ তপস্যা, কিন্তু সকল তুমি তাৰ সিদ্ধি। এই বিফলতাৰ গ্লানিত, অপ্ৰকাশৰ বেদনাত, ধূলিৰ দুখত বুজিলোঁ। তোমাৰ পোহৰত শান্তি আছে। সংসাৰত বৰ দুখ—বৰ দুখ আই, ইয়াৰ যাতনা গোটেই জীৱন জুৰি চলে। এই দুখৰ তপস্যাত মানুহ অসফল, চিৰ দুখী। কিন্তু তুমি যাৰ অন্তৰত জ্বলা তেওঁ প্ৰকাশিত হয়, তেওঁ চিৰ দুখ-কষ্টৰ মাজতে আনন্দময় জীৱনেশ্বৰক দেখে।

মণি

দুখীয়া বন্ধু মোৰ, তুমি মুকুতিৰ দুৱাৰ মুখত।

বগা পোহৰ বিকীৰণ কৰা সন্ধিয়াৰ শুক্র তৰাই আজি এই দুৱাৰ-মুখ ৰাখিছে। এই বন্ধ দুৱাৰ তুমি নিজ হাতে এদিন মেলিবা।

[মণি, মালিনী আৰু গৰখীয়া যায়, পেৰালি ধূলিত বাগৰি পৰি থাকে আৰু আঁৰ-কাপোৰ পৰে]

শেষ

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

দি এচিয়াটিক প্ৰিণ্টিং ৱৰ্কস, যোৰহাট

প্ৰিণ্টাৰ—প্ৰতাপচন্দ্ৰ তালুকদাৰ